## সামাজিক বিসংগঠন (Social Disorganisation):

সামাজিক বিসংগঠন হৈছে সামাজিক সংগঠনৰ এক বিপৰীত প্ৰক্ৰিয়া। সাধাৰণ অৰ্থত এটা সামাজিক সংগঠনৰ সদস্যসকলৰ মাজত সামাজিক সম্বন্ধ লোপ পোৱা অৱস্থাটোক সামাজিক বিসংগঠন বুলিব পাৰি। সামাজিক বিসংগঠন হৈছে সমাজৰ এক জটিল অসামঞ্জস্য অৱস্থা, যিয়ে সমাজৰ ব্যক্তিসকলৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। সমাজৰ ভাৰসাম্য বিনষ্ট হোৱা এক প্ৰক্ৰিয়াই হ'ল সামাজিক বিসংগঠন। ই লোকসকলৰ, সংগঠন, সমূহ সম্প্ৰদায় তথা সমাজত ভাৰসাম্যহীনতাৰ সৃষ্টি কৰে।

থমাছ (Thomas) আৰু জানানিয়েস্কি (Zananiecki) নামৰ দুজন সমাজতত্ত্ববিদে তেওঁলোকৰ গ্ৰন্থ "The Polish Peasant in Europe and America" ত সামাজিক বিসংগঠনৰ ধাৰণা বিকশাই তুলিছিল। তেওঁলোকৰ মতে সমাজৰ সদস্যসকলৰ মাজত প্ৰচলিত আচৰণৰ সামাজিক ৰীতি-নীতিৰ অৱনতি হোৱা অৱস্থাই হ'ল সামাজিক বিসংগঠন।

### সামাজিক বিসংগঠনৰ সংজ্ঞা (Definition of Social Disorganisation):

(a) এমিল ডুৰখেইম (Emile Durkheim)-ৰ মতে, "সামাজিক বিসংগঠন হ'ল সমাজ জীৱনত সৃষ্টি হোৱা এক ভাৰসাম্যহীন অৱস্থা আৰু সমাজৰ সদস্যসকলৰ মাজত সামাজিক মত আৰু কাৰ্যত একতাৰ অভাৱৰ এক অৱস্থা" (Social disorganisation is a state of disequilibrium and a lack of social solidarity or consensus among the members of a society)।

(b) অগবাৰ্ণ আৰু নিমকফৰ (Ogburn and Nimkoff) মতে, "যেতিয়া সংস্কৃতিৰ বিভিন্ন অংশৰ সম্বন্ধৰ মাজত থকা সমন্বয় বাধাপ্ৰাপ্ত হয়, তেতিয়া সামাজিক বিসংগঠনে দেখা দিয়ে" (when the harmonious relationship between various parts of culture is disturbed, social disorganisation ensues)।

সামাজিক বিসংগঠনৰ বৈশিষ্ট্য (Characteristics of Social Disorganisation):

(1) নতুন আৰু পুৰণি আদৰ্শৰ মাজত দ্বন্দ্ব (Conflict Between New Ideals and Old Ideals): সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজো পৰিৱৰ্তন হয়। সমাজৰ প্ৰয়োজনৰ পৰিৱৰ্তনৰ ফলস্বৰূপে নতুন আদৰ্শ আৰু সংগঠনৰ উদ্ভৱ হয়। এই নতুন আদৰ্শ আৰু সংগঠনৰ লগত সমাজত চলি থকা পুৰণি আদৰ্শৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। ইয়াৰ ফলস্বৰূপে সমাজৰ ব্যক্তিসকলৰ মাজত মতানৈক্যৰ সৃষ্টি হৈ সামাজিক বিসংগঠিত্বে দেখা দিয়ে।

(2) সামাজিক সংগঠনৰ কাৰ্যৰ পৰিৱৰ্তন (Change in the Functions of Social Organisation): সামাজিক সংগঠনবোৰে বিভিন্ন কাম সম্পাদন কৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই সমূহ কাৰ্য অন্য কিছুমান সংগঠনলৈ পৰিৱৰ্তিত হয়। ইয়েও সামাজিক বিসংগঠনৰ সৃষ্টি কৰে।

(3) ব্যক্তিগত সিদ্ধান্তত গুৰুত্ব (Focus on Individual Decisions): আধুনিক সমাজত ব্যক্তিমুখী কৰণত গুৰুত্ব দিয়া হয়। অতীতত শিক্ষা, বৃত্তি, বিবাহ আদিৰ ক্ষেত্ৰত পৰিয়ালে সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু বৰ্তমান এই সিদ্ধান্তবোৰ ব্যক্তিজনে গ্ৰহণ কৰে, যিবোৰ বহুসময়ত সমাজ আৰু পৰিয়ালৰ বাহিৰে প্ৰসমালো

নহয়। ইয়েও ক্ৰমঃ সমাজত বিসংগঠনৰ সৃষ্টি কৰে।

(4) আকাংক্ষা আৰু সাফল্যৰ মাজৰ দ্বন্দ্ব (Conflict between Expectations and Achievements): বৰ্তমান আধুনিক সমাজত মানুহে বহুত উচ্চাকাংক্ষা কৰে যদিও তেওঁ অনুসাৰে কৰ্ম নকৰে। ফলত লক্ষ্যত উপনীত হ'ব বাধাবিঘিনি পাই অসামাজিক কামত লিপ্ত হৈ সমাজৰ শৃংখলতা বিনষ্ট কৰে।

(5) সামাজিক ভূমিকাৰ অস্পষ্টতা (Ambiguity of Social Roles): সামাজিক পৰিবৰ্তনে মানুহৰ সামাজিক ভূমিকাৰ ক্ষেত্ৰতো পৰিবৰ্তন আনিছে। কিন্তু এই ভূমিকাবোৰ লিখিত অস্পষ্ট নথকাৰ বাবে ব্যক্তিক বিবুদ্ধিত পেলাইছে। ফলত ব্যক্তিৰ মাজত অসন্তুষ্টি আৰু হতাশাৰ সৃষ্টি হৈ সমাজত বিসংগতিৰ অৱস্থা সৃষ্টি কৰে।

সামাজিক বিসংগঠনৰ প্ৰকাৰ (Types of Social Disorganisation):

(1) ব্যক্তিগত বিসংগঠন (Individual Disorganisation): যেতিয়া ব্যক্তিগত পৰ্যায়ত বিসংগঠনে দেখা দিয়ে তেতিয়া তাক ব্যক্তিগত বিসংগঠন বোলা হয়। অৰ্থাৎ, যেতিয়া ব্যক্তিৰ নিজৰ আচৰণত বিসংগতি দেখা দিয়ে যাক লোকে অসামাজিক স্বৰূপে বিবেচনা কৰা হয়, তেতিয়া তাক ব্যক্তিগত বিসংগঠন বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, অপৰাধ প্ৰৱণতা, অপৰাধী, যৌন অপৰাধ, মাদকদ্ৰব্য আৰু ড্ৰাগছ সেৱনকাৰী, আত্মহত্যা, বেশ্যাবৃত্তি, শিশু-শ্ৰমিক আদি।

(2) পাৰিবাৰিক বিসংগঠন (Family Disorganisation): যেতিয়া কোনো এটা পৰিয়ালত পাৰিবাৰিক সম্বন্ধৰ অৱনতি ঘটে তেতিয়া তাক পাৰিবাৰিক বিসংগঠন বুলি জনা যায়। সাধাৰণতে পৰিয়ালৰ অশান্তি, পৃথকীকৰণ, বিবাহ-বিচ্ছেদ, অবৈধ সন্তান আদি।

③ সাম্প্ৰদায়িক বিসংগঠন (Community Disorganisation): যেতিয়া এটা সম্প্ৰদায়ত সামাজিক বিসংগতিয়ে দেখা দিয়ে তেতিয়া মানুহৰ মাজত সহযোগিতা আৰু ঐক্যতাৰ অভাৱ পৰিলক্ষিত হয়। এই সহযোগিতা আৰু ঐক্যতাৰ অভাৱে ~~[illegible]~~ সম্প্ৰদায়ত বিসংগঠন আনি দিয়ে। সাম্প্ৰদায়িক বিসংগঠনে দৰিদ্ৰতা, ভিক্ষাবৃত্তি, নিবনুৱা, আইন-অমান্যতা অপৰাধ, অস্থিৰতা আদি সমাজৰ জ্বলন্ত সমস্যাবোৰ আঙুলিয়াই দিয়ে।

④ আন্তৰ্জাতিক বিসংগঠন (International Disorganisation): আন্তৰ্জাতিক বিসংগঠন মানে হ'ল বিভিন্ন দেশৰ মাজত থকা বিসংগঠন। সাধাৰণতে আন্তৰ্জাতিক বুজাপৰাৰ অভাৱত কেতিয়াবা কেতিয়াবা সমগ্ৰ বিশ্বতে এক ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি হয়। সাধাৰণতে বিপ্লৱ, একনায়কত্ববাদ, যুদ্ধ আদিবোৰে আন্তৰ্জাতিক বিসংগঠনক সামৰি লয়।

সামাজিক বিসংগঠনৰ বিভিন্ন ভাগ থাকিলেও এই ভাগবোৰ এটাৰ লগত আনটো সম্বন্ধযুক্ত। এক প্ৰকাৰৰ সামাজিক বিসংগঠনে আন এক প্ৰকাৰৰ বিসংগঠনৰ সৃষ্টি কৰে।

## সামাজিক বিসংগঠনৰ কাৰণসমূহ (Causes of Social Disorganisation):

সামাজিক বিসংগঠন বিভিন্ন কাৰণৰ বাবে সৃষ্টি হ'ব পাৰে। সমাজতত্ত্ববিদসকলে সামাজিক বিসংগঠনৰ বিভিন্ন কাৰকৰ কথা কৈছে, যিবোৰ হৈছে সামাজিক বিসংগঠনৰ কাৰণ। সেইবোৰ হ'ল —

(১) মনোবৈজ্ঞানিক কাৰণ (Psychological Cause): প্ৰতিজন ব্যক্তি ইজনৰ পৰা আনজন পৃথক। মনোবৈজ্ঞানিক কাৰক যেনে — এটা সংগঠনৰ সদস্যসকলৰ মাজত যোগাযোগৰ অভাৱ আৰু সময়ৰ প্ৰয়োজনত ব্যক্তিৰ মনোভাৱৰ পৰিৱৰ্তন কৰাৰ অসামৰ্থ্যতাই সামাজিক বিসংগঠনৰ সৃষ্টি কৰে।

(২) সামাজিক পৰিৱৰ্তন (Social Change): সামাজিক পৰিৱৰ্তনে অনুষ্ঠানতে লোকাচাৰ, লোকনীতি, সন্মিলন আদিৰ ক্ষেত্ৰত সংঘাতমূলক অৱস্থাৰ সৃষ্টি কৰে। ইয়াৰ ফলত ব্যক্তি আৰু অনুষ্ঠানৰ মাজত সামাজিক সম্বন্ধ ব্যাহত হয় আৰু সমাজত অস্থিৰতাৰ সৃষ্টি হয়। ই সামাজিক বিসংগঠনৰ সৃষ্টি কৰে।

(৩) সামাজিক মূল্যবোধৰ অৱক্ষয় (Degeneration of Social Values): সামাজিক মূল্যবোধে এখন সমাজৰ শৃংখলা শক্তিশালী কৰাত সহায় যোগায়। যেতিয়া সমাজৰ পৰম্পৰাগত মূল্যবোধ ভংগ কৰা হয় তেতিয়া বিসংগঠনে দেখা দিয়ে। উদাহৰণ স্বৰূপে পাশ্চাত্য সমাজৰ উন্নত বস্তুগত দিশৰ পৰিৱৰ্তনে আমাৰ দেশৰ চহৰ আৰু উদ্যোগীক অঞ্চলসমূহত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে আৰু ইয়াৰ ফলত গ্ৰাম্য আৰু কৃষিপ্ৰধান সমাজত মূল্যবোধৰ ক্ষেত্ৰত সংঘাতৰ সৃষ্টি হৈছে।

④ যুদ্ধ (War): যুদ্ধই বিশ্বৰ শান্তি সংহতি, আন্তঃক্রিয়া আদি ব্যাহত কৰি সামাজিক বিসংগঠনৰ সৃষ্টি কৰে।

⑤ সাংস্কৃতিক পশ্চাদৱৰ্তীতা (Cultural lag): সমাজৰ, সকলোবোৰ উপাদান সমানে সলনি নহয়। উদাহৰণস্বৰূপে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ফলস্বৰূপে সমাজৰ বস্তুগত দিশৰ দ্ৰুত পৰিবৰ্তন হৈছে। কিন্তু ইয়াৰ বিপৰীতে অবস্তুগত দিশ যেনে মানুহৰ চিন্তাধাৰা, মনোভাব, বিশ্বাস আদি লেহেম গতিত পৰিবৰ্তন হয়। ইয়াৰ ফলত দুয়ো প্ৰকাৰৰ মাজত বৈষম্যৰ সৃষ্টি হয়।

⑥ সামাজিক সমস্যা (Social Problems):- বিভিন্ন সামাজিক সমস্যা যেনে - আন্দোলন, শ্ৰেণী সংগ্ৰাম, সামাজিক উচ্ছেদন, বিত্তীয় সংকট, মানসিক অসুস্থতা, ৰাজনৈতিক দুৰ্নীতি, অপৰাধ আদিয়ে সমাজৰ সুস্থ পৰিচালনাত বাধা দিয়ে। এনেবোৰ সামাজিক সমস্যাই সামাজিক বিসংগঠনৰ সৃষ্টি কৰে।

⑦ প্ৰাকৃতিক দুৰ্যোগ (Natural Calamities):- প্ৰাকৃতিক দুৰ্যোগ যেনে - ভূমিকম্প, বানপানী, হিমস্খলন আগ্নেয়গিৰি, ~~[illegible]~~ চুনামী আদিয়ে সামাজিক অস্থিৰতা নিৰ্মাণ কৰে আৰু সামাজিক বিসংগঠন গঢ় লৈ উঠে।

এইবোৰৰ উপৰিও অন্যান্য বহুতো কাৰণ যেনে - শ্ৰমৰ বিভাজন, সামাজিক ৰীতি-নীতিৰ অৱমাননা, ব্যক্তিবাদ আদিয়েও বিসংগঠনৰ সৃষ্টি কৰে।

---

## সামাজিক বিসংগঠনৰ প্ৰতিকাৰৰ উপায় (Prevention of Social Disorganisation):

আমাৰ সমাজৰ এক বৃহৎ সমস্যা হৈছে সামাজিক বিসংগঠন। এই বিসংগঠন প্ৰক্ৰিয়া সংগঠন প্ৰক্ৰিয়ালৈ উন্নীত কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ব্যৱস্থাসমূহ হ'ল —

(1) পুৰণি প্ৰজন্ম আৰু নতুন প্ৰজন্মৰ মনোভাবৰ ক্ষেত্ৰত যিহো ব্যৱধান দূৰ কৰিবলৈ শিক্ষাক এক শক্তিশালী মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগে।

(2) সমাজ বিনষ্ট কৰিবপৰা শক্তিসমূহৰ বিৰুদ্ধে চৰকাৰে উপযুক্ত প্ৰশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(3) সামাজিক বিসংগঠন ৰোধ কৰিবলৈ উপযুক্ত সামাজিক আৰু অৰ্থনৈতিক আঁচনি আৰু নীতি গ্ৰহণ কৰিব লাগে।

(4) বিভিন্ন বেচৰকাৰী অনুষ্ঠানসমূহে সামাজিক কাৰ্য আৰু সমাজ কল্যাণৰ আঁচনিৰ জৰিয়তে ব্যক্তিসকলক সংগঠনৰ মূল্যবোধ আৰু বিসংগঠনৰ অপকাৰ সম্পৰ্কে অৱগত কৰিব লাগে।

(5) সমাজ কল্যাণ অনুষ্ঠানসমূহে অপৰাধপ্ৰৱণ শিশু, মানসিকভাৱে ভাৰসাম্যহীন যুৱক-যুৱতী, ড্ৰাগচ সেৱনকাৰী, অপৰাধী, অসামাজিক কাম-কাজত লিপ্ত হোৱা ব্যক্তিসকলক সুস্থ পথলৈ উভতাই আনি সমাজমনক সংগঠিত কৰিব পাৰে।

(6) জনসাধাৰণৰ মাজত একতা, দেশপ্ৰেম

আৰু আন্তৰ্জাতিক বোধ জাগ্ৰত কৰিবলৈ যাতে শান্তিপূৰ্ণ
দিব পৰা আৰু প্ৰত্যেক মানৱীয় মূল্যবোধৰ প্ৰতি শ্ৰদ্ধা
কৰিব লাগে।

(৭) পৰিৱৰ্তনৰ লগে লগে সমকালীন সমস্যাৰ প্ৰতি সকলোকে সামাজিক সমস্যা, যেনে- নিৰক্ষৰতা, দৰিদ্ৰতা আদিৰ জ্ঞান প্ৰদান কৰিব লাগে।

(৮) পৰিয়াল পৰিকল্পনা, ক্ৰয়-বিক্ৰয়, যৌন শিক্ষা, জনসংখ্যা নিয়ন্ত্ৰণ আদিৰ দৰে সামাজিক আৰু ব্যক্তিগত সমস্যাসমূহ সুষ্ঠুভাৱে আৰু ফলপ্ৰসূভাৱে প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে।

(৯) সমাজত সমতা, ন্যায়পৰায়ণতা, স্বাধীনতাৰ বোধ জাগ্ৰত কৰিবৰ বাবে এক মনো-বিজ্ঞানসন্মত সুস্থ পৰিৱেশ সৃষ্টি কৰিব লাগে যাতে সকলোৱে মনত নিৰাপত্তা আৰু বিশ্বাসৰ বোধ জাগে।

(10) জনতাক লোকমাধ্যমৰ বিভিন্ন অনুষ্ঠান আৰু কাৰ্যসূচীৰ জৰিয়তে সামাজিক বিকাশৰ প্ৰতি জাগ্ৰত হ'ব পৰা ব্যৱস্থাৰে সমাজৰ জনসাধাৰণক আগুৱাই নিব লাগে আৰু দেশত এইসমূহৰ দৰা আচৰণ মানসিকতা আত্মোন্নতি কৰিব লাগে।

গতিকে দেখা যায় যে এনেবোৰ ব্যৱস্থা গ্ৰহণৰ জৰিয়তে সামাজিক বিকাশৰ পথত অগ্ৰসৰ বহু পৰিমাণে সহায় কৰিব পাৰি। ইয়াৰ জৰিয়তে সমাজত শান্তি-শৃংখলা বৰ্তি ৰাখি এখন সমাজ সুষ্ঠুভাৱে পৰিচালিত হোৱাত সহায়ক হয়।